# নামা মোদাতি যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী

## ৰূপসী ফৰেষ্ট ৰেঞ্জ

## পৰ্বতঝোৰা বন সংমণ্ডল

# ক্ষুদ্ৰ প্ৰকল্প আঁচনি

(২০১৬-১৭ৰ পৰা ২০২৫-২৬)

প্ৰস্তুতকৰ্তা ঃ নামা মোদাতি জে এফ এম চি

সহযোগ

বনাঞ্চল বিভাগ, অসম

আৰু

ক'ম্‌পেল'

(আই আই ই, আৰ জি ভি এন আৰু চি এম এল)

জুলাই-২০১৬

Approved

Divisional Forest Officer
Parbatjhora Forest Division
Suparighat

## সাংকেতিক শব্দ বিন্যাস তালিকা ঃ—

| সাংকেতিক শব্দ | মূল ভাঙনি |
|---|---|
| APFBC | Assam Project on Forest and Bio-diversity Conservation |
| (এ পি এফ বি চি) | (বনাঞ্চল আৰু জৈৱ-বৈচিত্র্য সম্পৰ্কীয় প্ৰকল্প, অসম) |
| AFD | Agency France de Development |
| (এ এফ ডি) | (উন্নয়ন বিষয়ক ফৰাচী সংস্থা) |
| BPL | Bellow Poverty Line |
| (বি পি এল) | (দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ) |
| COMPELO | Consortium for Micro Planning and Enhancing Livelihood Opportunities |
| (ক'মপেল') | (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) |
| EPA | Entry Point Activities |
| (ই পি এ) | (প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাপনা) |
| GIS | Geographical Information System |
| (জি আই এছ) | ভৌগোলিক তথ্য আহৰণ ব্যৱস্থাপনা |
| Ha | Hectare |
| (হে) | হেক্টৰ (মাটিকালি) |
| IIE | Indian Institute of Entrepreneurship |
| আই আই ই | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান |
| JFMC | Joint Forest Management Committee |
| (জে এফ এম চি) | যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী |
| Kg | Kilogram |
| (কেজি) | কিলোগ্ৰাম |
| Km | Kilometre |
| (কে এম) | কিলোমিটাৰ |
| NGO | Non Government Organisation |
| (এম জি অ') | অনা-চৰকাৰী সংস্থা |
| NTFP | Non Timber Forest Product |
| (এন টি এফ পি) | গছবিহীন বনজ উৎপাদিত সামগ্ৰী |
| PDS | Public Distribution System |
| (পি ডি এছ) | ৰাজহুৱা বিতৰণ ব্যৱস্থা |
| PHE | Public Health Engineering |
| (পি এইচ ই) | জনস্বাস্থ্য কাৰিকৰী |
| PRA | Participatory Rural Appraisal |
| (পি আৰ এ) | গ্ৰামীণ সহযোগকাৰীৰ সহমত |
| Rs | Indian Rupees |
| (আৰ এছ) | ভাৰতীয় টকা |
| SHG | Self Help Group |
| (এছ এইচ জি) | আত্মসহায়ক গোট |

# নামা মোদাতি যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী
## পৰ্বতঝোৰা বন সংমণ্ডল, ৰূপসী ফৰেষ্ট ৰেঞ্জ

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ প্ৰকল্প আঁচনি
## (জীৱিকা বিকাশ পৰিকল্পনা আৰু বনাঞ্চল উন্নীতকৰণ আঁচনি)

## সূচীপত্ৰ


| | | |
|---|---|---|
| (১) | পাতনি ঃ ........................................................................ | ৪ |
| (২) | গ্ৰাম্য আৰ্থ-সামাজিক পৰিচয়............................................ | ৫ |
| (৩) | জীৱন ধাৰণ ব্যৱস্থাপনাৰ বিশ্লেষণ.................................... | ৯ |
| (৪) | জীৱিকা বিকাশ পৰিকল্পনা................................................ | ১২ |
| (৫) | বনাঞ্চল বিকাশ আঁচনি.................................................... | ১৫ |
| | অতিৰিক্ত সূচীৰ তালিকা................................................. | ২৪ |
| | জীৱিকা অন্বেষণ কাৰ্যব্যৱস্থাৰ পৰা লাভান্বিত ব্যক্তিৰ তালিকা | |
| | (১) পশুধন | |

## (১) পাতনি

**প্ৰকল্প আঁচনিৰ বিষয়ে** ঃ বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প, অসম (এপিএফবিচি)ৰ মূল লক্ষ্য হৈছে 'অসমত এক দীৰ্ঘম্যাদী বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ব্যৱস্থাপনা স্থাপন কৰাৰ বাবে বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল নিৰ্ধাৰিত অঞ্চলৰ জনসমুদায়সমূহক বনাঞ্চল তথা বনাঞ্চল বহিৰ্ভূত সম্পদেৰে তেওঁলোকৰ দৈনন্দিন জীৱিকাৰ সুবিধা মুকলিৰ বাবে এক বহুমুখী আঁচনিৰ কাৰ্য ৰূপায়ণ কৰা। এই প্ৰকল্পৰ মূল উদ্দেশ্য বৰ্ণোৱা হৈছে এইদৰে— বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনসমুদায়সমূহৰ সহযোগত তেওঁলোকৰ জীৱিকাৰ সুযোগ বৃদ্ধিৰ লগতে বনাঞ্চলৰ পাৰিপাৰ্শ্বিক পৰিৱেশ পুনৰুজ্জীৱিত কৰা আৰু জৈৱ-বৈচিত্ৰ্যৰ দীৰ্ঘম্যাদী ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ নিশ্চিত কৰা।

এই প্ৰকল্পৰ বাবে অসম চৰকাৰৰ সহযোগত মূলতঃ এএফডি (এজেন্সী ফ্ৰেন্স দ্য ডেভেলপমেণ্ট) নামৰ ফ্ৰান্সৰ উন্নয়নকামী সংস্থাই বিত্তীয় সহযোগ আগবঢ়াইছে। বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প সমিতি, অসম (এপিএফবিচি সমিতি)ক এই প্ৰকল্প আঁচনিৰ কাৰ্য ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা, নিৰীক্ষণ, সহযোগিতা আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হৈছে।

**ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ বিকাশ** ঃ বজাৰ সম্ভাৱনাপূৰ্ণ মান নিৰ্ণয়েৰে দৈনন্দিন জীৱিকাক উদগনি যোগাবলৈ বৰ্তমানৰ প্ৰকল্প আঁচনিয়ে উদ্যমিতা বিকাশত উদগনি যোগোৱাৰ লগতে এই প্ৰকল্পৰ অধীনত উৎপাদিত সামগ্ৰীৰ মান নিৰ্ণয় আৰু উৎপাদিত সামগ্ৰীৰ বজাৰ ব্যৱস্থাৰ লক্ষ্য ৰাখিছে। সাম্প্ৰতিক সময়ত জনসংখ্যাৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানৰ বনজ সম্পদৰ ওপৰত আহি পৰা অহেতুক হেঁচাৰ বাবেই ই অতি আৱশ্যকীয় হৈ পৰিছে। সেয়ে বজাৰ সম্ভাৱনাৰ ওপৰত লক্ষ্য ৰাখি সাম্প্ৰতিক বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্যৰ উৎপাদিত সামগ্ৰী তথা সেৱাৰ মান বিকশাই তোলাটো অতি আৱশ্যক হৈ পৰিছে। ইয়াৰ উপৰি বনজ সম্পদ বহিৰ্ভূত জীৱিকাৰ সন্ধান উদ্ভৱ কৰিবলৈ সংশ্লিষ্ট জনসমুদায়ৰ সদস্যসকলৰ দক্ষতা বিকাশৰ মাধ্যমেৰে তেওঁলোকৰ সক্ষমতা বৃদ্ধিৰ আৱশ্যকতাও আহি পৰিছে।

ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আইআইই) গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰজিভিএন) তথা ক্ষুদ্ৰ বিনিয়োগ কেন্দ্ৰ আৰু জীৱিকা শীৰ্ষক (চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেঞ্চ এণ্ড লাইভলিহুড) নামৰ প্ৰতিষ্ঠান কেইটাক লৈ গঠিত মহাজোঁটে এই প্ৰকল্প আঁচনিৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা বিকাশৰ কাৰ্য আঁচনি ৰূপায়ণ কৰিব। এই মহাজোঁটক 'Consortium for Micro Planning and Enhanching Livelihood Opportunittes– COMPLEO' (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) ক'ম্পেল' হিচাপে নামকৰণ কৰা হৈছে।

প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি এই ক্ষুদ্ৰ পৰিকল্পনাৰ ভিতৰত 'বন বিভাগ আৰু গাঁওসমূহৰ বিভিন্ন কাৰ্যব্যৱস্থা... বনাঞ্চল নিৰ্ভৰশীল ব্যক্তিসমূহৰ জীৱিকালৈ আগবঢ়োৱা সহযোগিতা আৰু মূলতঃ দীৰ্ঘম্যাদী বন ব্যৱস্থাপনাৰ বিষয় অন্তৰ্নিহিত হৈ আছে। ইয়াৰ লগতে আছে বনাঞ্চলৰ

উন্নয়ন আৰু জীৱিকাৰ বিকাশৰ বিষয়ে।

**নামা মোদাতি জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** : অসমৰ কোকৰাঝাৰ জিলাত অৱস্থিত নামা মোদাতি জে এফ এম চিৰ বাবে এই শিতানত ক্ষুদ্ৰ পৰিকল্পনা নিৰ্ধাৰণ কৰা হৈছে। বনাঞ্চল উজ্জীৱিতকৰণ আৰু বনানীকৰণৰ বাবে এই জে এফ এম চি (যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী) কোকৰাঝাৰ জিলাৰ ৰূপসী বনাঞ্চল মণ্ডলৰ পৰ্বঝোৰা বন সংমণ্ডলৰ অধীনস্থ।

বৰ্তমানৰ ক্ষুদ্ৰ পৰিকল্পনাৰ আঁচনিখন স্থানীয় পুৰুষ-মহিলা তথা স্থানীয় জনসমুদায়ৰ সদস্যসকলে প্ৰস্তুত কৰিছে। উল্লেখ্য যে ২০১৬ চনৰ জুন মাহত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আই আই ই)ৰ সহযোগী কৰ্মী আৰু সংশ্লিষ্ট এলেকাৰ জনসমুদায়ৰ সদস্যৰ প্ৰচেষ্টাত 'গ্ৰামীণ সহযোগকাৰীৰ সহমত' (পি আৰ এ)ৰ আশাশুধীয়া ফলাফল হিচাপে আঁচনিৰ ৰূপ পাইছে। এই ক্ষুদ্ৰ পৰিকল্পনা আঁচনিখন প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি আই আই ইয়ে প্ৰস্তুত কৰি উলিয়াইছে। এই আঁচনিখন গ্ৰহণ কৰাৰ বাবে জুলাই, ২০১৭ত আলোচনামৰ্মে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## (২) গ্ৰামীণ আৰ্থ-সামাজিক পৰিচয়

**স্থান** : নামা মোদাতি যুটীয়া বনাঞ্চল ব্যৱস্থাপনা কমিটী (জে এফ এম চি) গঠন কৰা হৈছিল নামা মোদাতি অঞ্চলত বসবাস কৰা জনসমুদায়ৰ কল্যাণৰ অৰ্থে। এই গাঁওখন ৰূপসী ফৰেষ্ট ৰেঞ্জৰ সীমান্তৱৰ্তী। অসমৰ কোকৰাঝাৰ জিলাৰ মোদাতি ভি চি ডি চি, বগৰীবাৰী ৰাজহ খণ্ডৰ অন্তৰ্গত এলেকাটোক জে এফ এম চিয়ে সামৰি লৈছে।

**অতিৰিক্ত সূচী (১)ত গ্ৰাম্য মানচিত্ৰ দিয়া হৈছে।**

**প্ৰধান তথ্যসমূহ** : **জে এফ এম চিৰ প্ৰধান তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—**

**তালিকা (ক) জে এফ এম চিৰ প্ৰধান তথ্যসমূহ—**

| | |
|---|---|
| জে এফ এম চিৰ নাম | নামা মোদাতি |
| আৱাসীয় এলেকা | নামা মোদাতি |
| ৰাজহ গাঁৱৰ নাম | মোদাতি পাহাৰবস্তি পি টি- iv |
| গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম | মোদাতি |
| ৰাজহ চক্ৰ | বগৰীবাৰী |
| জিলা | কোকৰাঝাৰ |
| বন সংমণ্ডল | পৰ্বতঝোৰা |
| ফৰেষ্ট ৰেঞ্জ | ৰূপসী |
| বনাঞ্চল বীট | শান্তিপুৰ |
| গঠন বৰ্ষ | ২০১৫ |
| জে এফ এম চিৰ সীমা বৰ্ণনা | উল্লেখ কৰা ধৰণে<br>উত্তৰে : খোপাতি<br>দক্ষিণে : মোদাতি পাহাৰবস্তি পি টি- iii ৰাষ্ট্ৰীয় ঘাইপথ, গৌৰীপুৰ<br>পশ্চিমে : বাশবাৰী, ৰূপসী বিমানবন্দৰ<br>পূবে : চুপাৰিঘাট-বাশবাৰী পথ |

**উৎস** : জুন ২০১৬ত পি আৰ এ অনুশীলনত জে এফ এম চিৰ সৈতে হোৱা আলোচনা আৰু সংগৃহীত তথ্যৰ আধাৰত। **(অতিৰিক্ত বিশদ তথ্য তালিকা-১ ৰেকৰ্ড-১ অতিৰিক্ত সূচীত সন্নিৱিষ্ট)**

**কাৰ্যনিৰ্বাহক কমিটী আৰু সাধাৰণ সভাৰ চমু বিৰৰণ** ঃ **নিম্নোক্ত নক্সাত ই ডি চিৰ কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ সভাৰ চমু বিৰৰণ প্ৰকাশ কৰা হ'ল—**

**নক্সা খ— কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভাৰ চমু বিৰৰণ**

| | |
|---|---|
| **সভাপতিৰ নাম** | **তাজেন্দ্ৰ ৰাভা** |
| **সম্পাদকৰ নাম** | **দীপক কুমাৰ ৰায়** |
| **কোষাধ্যক্ষৰ নাম** | **কৈলাস চন্দ্ৰ ৰাভা** |
| **কাৰ্যবাহী কমিটীৰ সদস্য সংখ্যা** | **পুৰুষ- ১০, মহিলা- ৫** |
| **সাধাৰণ সভাৰ সদস্য সংখ্যা** | **৫২ + ৫২, (প্ৰতিঘৰৰ এজন পুৰুষ আৰু এগৰাকী মহিলা)** |

**উৎস ঃ** জে এফ এম চিৰ পৰা সংগৃহীত তথ্য।

**আৱাস গৃহ আৰু জনসংখ্যা গাঁথনি** ঃ গাঁওখনত ৫২টা আৱাস আছে। মুঠ আৱাসৰ ভিতৰত ৫৫ শতাংশ আৱাসেই দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ। মহিলাৰ নেতৃত্বত ৪টা পৰিয়াল আছে। মুঠ জনসংখ্যা ৩২০। ইয়াৰে ১৮৮গৰাকী পুৰুষ আৰু বাকীসকল মহিলা সদস্য। গাঁওখনৰ সকলো জনসংখ্যা অনুসূচিত ৰাভা জনজাতিৰ লোক। তালিকা-২, ৰেকৰ্ড (১)ৰ তথ্যৰ পৰা পৰ্যালোচনাৰ বাবে বিবেচনা হ'ব পাৰে। ইয়াৰ পৰা উপলব্ধি কৰা হ'ল—

(১) প্ৰতি আৱাসত গড় ব্যক্তিৰ সংখ্যা-৬

(২) লিংগৰ অনুপাত ঃ প্ৰতি ১,০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৭০২গৰাকী।

**শিক্ষা আৰু দক্ষতা বিকাশ** ঃ ৯০ শতাংশৰো অধিক জনসংখ্যা লিখা-পঢ়া কৰা লোক। বেছিসংখ্যক ব্যক্তিয়েই বিদ্যালয় পৰ্যায়ৰ (প্ৰাথমিক বিদ্যালয়) শিক্ষা গ্ৰহণ কৰিছে। আনহাতে, গাঁওখনৰ কমসংখ্যক লোকেহে মহাবিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰিছে। জীৱিকাৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ব্যৱস্থাপনাৰ পৰা আহৰণ কৰা দেখা যায়। জে এফ এম চিৰ অধীনস্থ এলেকাৰ দক্ষতা আহৰণৰ অনানুষ্ঠানিক মাধ্যমটো পৰম্পৰাগত। নিম্নোক্ত ক্ষেত্ৰসমূহত সাধাৰণ লোকসকলে পৰম্পৰাগত দক্ষতা লাভ কৰা দেখা যায়—

(ক) হস্ততাঁত
(খ) উদ্যান
(গ) বাঁহৰ হস্তশিল্পৰ সামগ্ৰী
(ঘ) কৃষি

চৰকাৰে সমগ্ৰ দেশ তথা ৰাজ্যসমূহত দক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণত ব্ৰতী হৈছে। কিন্তু আৱাসিক এলেকাসমূহত বা ইয়াৰ ওচৰে-পাঁজৰে এনে কাৰ্য আঁচনি ৰূপায়ণ কৰা হোৱা নাই।

**মাটি** ঃ **প্ৰকল্প এলেকাৰ মাটিৰ গুণমান ঃ** (ক) দ' অঞ্চলত পলসযুক্ত বালি মাটি মিহলি (আঠালেতীয়া), য'ত আঠালেতীয়া বা অত্যধিক বালিৰ পৰিমাণ নাই। অঞ্চলটোত উপলব্ধ মাটি সকলো ধৰণৰ খেতিৰ বাবে উপযোগী যদিও উৰ্বৰ নহয়। বৰ্তমান গাঁও অঞ্চলত পোৱা মাটিৰ উৰ্বৰতা ৰবৰ খেতিৰ বাবে হ্ৰাস পাইছে।

**পানী** ঃ এলেকাটোত অকৈ নামৰ এটা মাত্ৰ জান আছে।

**বতৰ, তাপমান আৰু বৰষুণ** : অঞ্চলটোত গ্ৰীষ্মকালত সৰ্বাধিক তাপমান ৩৮° চেলছিয়াচ আৰু শীতকালত সৰ্বনিম্ন তাপমান ৮°-৯° চেলছিয়াচপৰ্যন্ত হয়। বাৰ্ষিক বৰষুণৰ পৰিমাণ প্ৰায় ৩১০০ মিঃমিঃ। বৰ্ষা ঋতুৰ সময়ত ঘাইকৈ এপ্ৰিল-আগষ্ট মাহত মুঠ দুই-তৃতীয়াংশ বৰষুণ হয়। বৰষুণৰ বতৰৰ মাহকেইটাত গাঁওখনত জলীয় বাষ্পৰ পৰিমাণৰ ৮৫ শতাংশৰো অধিক হয় আৰু শীত কালত ৬৫ শতাংশৰ তলত থাকে।

**বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য** : স্থানীয় বনাঞ্চল এলেকা সিক্ত শালবাৰী হিচাপে চিহ্নিত কৰা হৈছে। এই অঞ্চলটোত বোহেৰা, শিচু, এজাৰ, সোণাৰু, টিক, শাল, অৰ্জুন আদি গছ পোৱা যায়। এই বনাঞ্চলত কাঠবিহীন উদ্যান উৎপাদন, যেনে— পাতযুক্ত পাচলি, ঔষধি গছ, বাঁহ, খেৰ, কাঠফুলা আদি উৎপাদন কৰিব পাৰি।

**(এই সম্পৰ্কত 'বনাঞ্চল উন্নয়ন আঁচনি'ত অতিৰিক্ত তথ্য সন্নিৱিষ্ট কৰা হৈছে।)**

**ব্যৱহাৰিক মাটিকালিৰ ধৰণ** : **অনুসূচী (২)**ত গাঁওখনৰ ব্যৱহাৰিক মাটিকালিৰ বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে। উক্ত তথ্যৰ পৰা মাটিৰ ব্যৱহাৰৰ নিম্নোক্ত ছবি এখন দাঙি ধৰা হ'ল—

শস্য পথাৰ- ২৮.৫ শতাংশ
আৱাসী এলেকা- ৬.২৫ শতাংশ
কৃষিভূমি (পৰিত্যক্ত)- ৬.০৭ শতাংশ
খৰিৰ বাবে গছ ৰোপণ- ৩৫.৭৪ শতাংশ
ক্ষয়িষ্ণু বনাঞ্চল- ১৬.৭৩ শতাংশ
বৃক্ষৰে আৱৰা এলেকা- ৬.২৫ শতাংশ

**স্বত্বাধিকাৰত থকা মাটি** : **ৰেকৰ্ড-১**ৰ তালিকা- ৩ৰ তথ্যমৰ্মে আৱাসীয় লোকসকলৰ অধিকৃত মাটিৰ পৰিমাণ—

- ১৯ শতাংশ আৱাসীয় পৰিয়াল ভূমিহীন।
- ৮১ শতাংশ আৱাসীয় পৰিয়াল ক্ষুদ্ৰ খেতিয়ক (২ হেক্টৰ/১৫ বিঘাৰ কম)
- ২ হেক্টৰ/১৫ বিঘাতকৈ বেছি মাটি থকা কোনো পৰিয়াল নাই।

**পশুধন** : গাঁওখনত সৰ্বমুঠ পশুধনৰ সংখ্যা হৈছে ১৭০টা। আৱাসীয় পৰিয়ালসমূহৰ মজুত থকা প্ৰধান পশুধন হৈছে—

গাইগৰু ঃ ৭২টা
ছাগলী ঃ ২৮টা
গাহৰি ঃ ৭০টা

**ৰেকৰ্ড ঃ ১**ৰ তালিকা- ৪ত এই সম্পৰ্কত সবিশেষ তথ্য সন্নিৱিষ্ট হৈছে।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগৰ সুবিধা** : যিকোনো জনসমুদায়ত দীৰ্ঘম্যাদী জীৱিকাৰ বিকল্প সুবিধাৰ বাবে ন্যূনতম আন্তঃগাঁথনিয়েহে বাট মুকলি কৰে। বৰ্তমানৰ পৰিস্থিতিত গাঁওখনৰ আন্তঃগাঁথনিৰ বাস্তৱ স্থিতি সন্তোষজনক নহয়। এই সম্পৰ্কত ৰেকৰ্ড-১ৰ তালিকা- ৫ত বাস্তৱ স্থিতি দৰ্শোৱা হৈছে।

**ব্যৱহাৰিক আন্তঃগাঁথনি ঃ** আৱাসীয় লোকসকলে ন্যূনতম ব্যৱহাৰিক সা-সুবিধা যেনে— পথ যোগাযোগ, বিদ্যুৎ, নিয়মীয়া খোৱাপানী যোগান, ৰাজহুৱা প্ৰেক্ষাগৃহ আদিৰ পৰা বঞ্চিত হৈছে।

**শিক্ষা আৰু স্বাস্থ্যসেৱা ঃ** গাঁওখনত শিক্ষা আৰু স্বাস্থ্যসেৱা খণ্ডত ন্যূনতম সুবিধা আছে। ৰাজহুৱা যাতায়াত ব্যৱস্থা নাই। অঞ্চলটোৰ লোকসকলে ঘূৰা-ফুৰা কৰিবলৈ চাইকেল ব্যৱহাৰ কৰে।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ (যেনে— আৰক্ষী থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, ফৰেষ্ট বিট অফিচ) গাঁওখনৰ পৰা নাতিদূৰত অৱস্থিত। এইক্ষেত্ৰত গাঁওবাসীয়ে নিজৰ অথবা চুবুৰীয়া অঞ্চলৰ পৰা নিয়মিত ৰাজহুৱা যাতায়াত ব্যৱস্থাৰ অভাৱৰ সন্মুখীন হ'বলগীয়া হয়।

**বিত্তীয় লেনদেনৰ সুবিধা ঃ** বিত্তীয় লেনদেনৰ সা-সুবিধা যেনে— বেংক, ডাকঘৰ আদি গাঁওখনৰ পৰা নাতিদূৰত অৱস্থিত। সেয়ে গাঁওবাসীয়ে নিয়মিত যাতাযাতৰ অসুবিধাৰ বাবে বাধাৰ সন্মুখীন হৈছে।

**কৃষিজাত উৎপাদন** ঃ গাঁওখনত কৃষিজাত উৎপাদন সম্পৰ্কত **ৰেকৰ্ড- ১ৰ তালিকা নং- ৬ত** বিশদভাৱে উল্লেখ কৰা হৈছে। উল্লিখিত তথ্য মতে গাঁওখনত উৎপাদন হোৱা মূল কৃষিজাত সামগ্ৰীৰ তথ্য দাঙি ধৰা হ'ল—

**(ক) খাৰিফ শস্য ঃ** গ্ৰাষ্ম কালৰ শস্য (আহু, শালি), চাইনিজ ধান (বাক বৰো), কচু, শিমলু আলু, কঁঠাল, আম, জাম, ৰঙালাউ আদি অন্যতম।

**(খ) ৰবি শস্য ঃ** সৰিয়হ।

**(গ) অন্যান্য ঃ** ৰবৰ, বিলাহী, গজৰ, মূলা, আনাৰস আদি।

উৎপাদিত সকলো খাদ্যশস্য বৰযুণৰ ওপৰত নিৰ্ভৰ কৰে।

**শস্য উৎপাদনৰ বিৱৰণ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ৭ত** গাঁওখনত উৎপাদিত খাদ্যশস্যৰ সবিশেষ চাব পৰা যায়। গাঁওখনৰ সৰ্বাধিকসংখ্যক পৰিয়ালে ধান আৰু সৰিয়হ উৎপাদনত জড়িত। শস্য ৰোপণ আৰু ইয়াৰ উৎপাদনসমূহ এনেধৰণৰ—

**(ক) ধান খেতি ঃ** উৎপাদন- ৬২৭ কুইণ্টল, ফচল- ১৯.৯৩ কুইণ্টল/হেক্টৰ

**(খ) শাক-পাচলি ঃ** উৎপাদন- ১৭৬ কুইণ্টল, ফচল- ২২.৩৯ কুইণ্টল/হেক্টৰ

**পশু খাদ্যৰ মজুত স্থিতি** ঃ গাঁওখনত পশু খাদ্যৰ মজুত স্থিতি সম্পৰ্কত ৰেকৰ্ড Iৰ তালিকা নং-৮ত সন্নিৱিষ্ট হৈছে। উক্ত তালিকাই স্পষ্ট কৰা মতে, গাঁওখনত উপলব্ধ পশু খাদ্যৰ উৎসসমূহ হৈছে—

(ক) ধান খেতিৰ অৱশিষ্ট।

(খ) বনাঞ্চলৰ পথাৰ।

(খ) পৰিয়ালসমূহৰ ৰন্ধন খাদ্যৰ অৱশিষ্ট।

(গ) সেউজীয়া ঘাঁহ।

**বজাৰ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ৯ত** দেখুওৱা হৈছে গাঁওখনৰ পৰা বিভিন্ন স্থানত থকা বজাৰসমূহ। গাঁওখনৰ জনসমুদায়ে লেনদেন কৰা মূল বজাৰসমূহ হৈছে—
(ক) গেলামাল/ৰাজহুৱা বিতৰণ ব্যৱস্থা ঃ গাঁৱৰ ভিতৰতে।

(খ) সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ৭ কিঃমিঃ দূৰত্বৰ গৌৰীপুৰত অৱস্থিত।

(গ) মূল বজাৰ ঃ ৭ কিঃমিঃ দূৰত্বৰ গৌৰীপুৰত অৱস্থিত।

**জলসম্পদ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ১০ত** জলসম্পদৰ তথ্য দাঙি ধৰা হৈছে। গাঁওখনত

মজুত থকা মূল জলসম্পদৰ উৎসসমূহ হৈছে—

(ক) পকী কুঁৱা (গোটেই বছৰ পানী উপলব্ধ)

(খ) জান (নিৰ্দিষ্ট বতৰত পানী উপলব্ধ)

(গ) দমকল (গোটেই বছৰ পানী উপলব্ধ)

**ইন্ধনৰ ব্যৱহাৰ** ঃ **ৰেকৰ্ড- ১ৰ তালিকা নং- ১১**ত গাঁওখনত উপলব্ধ ইন্ধনৰ তথ্য সন্নিৱিষ্ট হৈছে। একেখিনি তথ্য তলত উল্লেখ কৰা হ'ল—

**(ক) কাঠ খৰি** ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৫২টা, উৎস ঃ বনাঞ্চল।

**(খ) কেৰাচিন** ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১০টা, উৎস ঃ খোলা বজাৰ।

**(গ) ৰন্ধন গেছ** ঃ নিৰ্ভৰশীল পৰিয়াল ৬টা, উৎস ঃ গেছ এজেন্সী, গৌৰীপুৰ।

**আৰ্থ-সামাজিক স্থিতি**

**সামাজিক গঠন** ঃ **সামাজিক গঠন** ঃ গাঁওখন অনুসূচিত জনজাতিৰ ৰাভা সম্প্ৰদায়ৰে গঠিত। তেওঁলোকৰ মাজত উপ-জাতিগত প্ৰথা নাই। সমাজখনত গভীৰ সামাজিক পাৰ্থক্য নাই। মহিলাৰ মৰ্যাদা সন্তোষজনক দেখা যায়।
**অৰ্থনৈতিক স্থিতি** ঃ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। জীৱিকাৰ প্ৰধান উৎস হৈছে কৃষি, উদ্যান, সুৰা প্ৰস্তুত, দিন মজুৰি ইত্যাদি। প্ৰায়ভাগ পৰিয়ালে বছৰটোত ১৫,০০০ৰ পৰা ৩৫,০০০ টকাপৰ্যন্ত আয় কৰে। জীৱিকাৰ বাবে যুৱক বা অন্যান্যসকলৰ মাজত প্ৰব্ৰজন হোৱা দেখা যায়। পৰৱৰ্তী খণ্ডত অতিৰিক্ত তথ্য পোৱা যাব।

**মানচিত্ৰ** ঃ অনুসূচী-১ত পি আৰ এ অনুশীলনৰ ভিত্তিত মানচিত্ৰ দাঙি ধৰা হৈছে।

(ক) গাঁৱৰ মানচিত্ৰ

(খ) গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এৰ সদস্যসকলৰ নাম-তথ্যসহ)

(গ) গাঁৱৰ সম্পদৰ উৎসৰ মানচিত্ৰ।

## ৩ জীৱন ধাৰণ ব্যৱস্থাপনাৰ বিশ্লেষণ

**পি আৰ এ অনুশীলন** ঃ তলত উল্লেখ কৰা ধৰণে নামা মোদাতি গাঁৱত আই আই ই, গুৱাহাটীৰ বিশেষজ্ঞৰ দলে পি আৰ এ অনুশীলন চলায়। তাৰিখ ঃ ৭ জুন, ২০১৬, স্থান ঃ নামা মোদাতি মন্দিৰ প্ৰাংগণ, উপস্থিত জনসংখ্যা ঃ ৭০জন। উপস্থিত আছিল— জে এফ এম চিৰ কৰ্মকৰ্তা, গাঁওপ্ৰধান, স্থানীয় সদস্য, বন বিভাগৰ কৰ্মচাৰী আদি।

**পি আৰ এৰ উদ্দেশ্য** ঃ মুখ্য উদ্দেশ্য হৈছে— বনাঞ্চল উন্নয়ন আঁচনিৰ লগতে স্থানীয় লোকৰ জীৱিকাৰ বিকাশ সাধনৰ বাবে জনসমুদায়টোৰ পৰিয়ালসমূহৰ বাস্তৱ স্থিতি অধ্যয়ন কৰা।

**আৰ্হিৰ ব্যৱহাৰ আৰু**
**পি আৰ এৰ ফলাফল** ঃ পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি তলত দিয়া ধৰণে—
সামাজিক মানচিত্ৰ
সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ

সময়ভিত্তিক পৰ্যালোচনা
জীৱন ধাৰণৰ অৱস্থাসমূহ
ভেন চিত্ৰ
অনুসূচী ঃ ৩ত ওপৰোক্ত বিষয়বোৰৰ সম্পূৰ্ণকৈ আলোকপাত কৰা হৈছে

**মাপ নিৰূপণ** ঃ তলত উল্লেখ কৰা বিষয়কেইটাৰ ওপৰত মাপ নিৰূপণ প্ৰক্ৰিয়া হাতত লোৱা হয়—
(ক) জীৱিকা আৰু দক্ষতা বিকাশ
(খ) আৰম্ভ কৰিব পৰা কাৰ্যব্যৱস্থা (ই পি এ)
**অনুসূচী-৩**ত উল্লিখিত বিষয় দুটাৰ বিশ্লেষণ কৰিছে।
**ই পি এ শ্ৰেণীবদ্ধকৰণ**

| ক্ৰঃ নং | গ্ৰামীণ ই পি এ নিৰূপিত মাপত | বিশদ বিৱৰণ অনুসূচী নং ৩ত | সম্ভাব্য বিত্তীয় উৎস/বিভাগ |
|---|---|---|---|
| ১ | যাতায়াত ব্যৱস্থা | গাঁওখনৰ সৈতে ২ কিঃমিঃ দূৰত্বৰ ৰাস্তাৰে এ পি এফ বি চি বৃক্ষৰোপণ এলেকাৰ লগত সংলগ্ন | এ পি এফ বি চিৰ পৰা ই পি এলৈ |
| ২ | ৰাজহুৱা প্ৰেক্ষাগৃহ | ৪০ ফুট x ৩৫ ফুট প্লেটফৰ্মৰ সৈতে ভঁৰাল | এ পি এফ বি চিৰ পৰা ই পি এলৈ |
| ৩ | খোৱাপানী | জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা নিয়মীয়া আৰু বিশুদ্ধ খোৱাপানী যোগান | জনস্বাস্থ্য কাৰিকৰী বিভাগৰ |
| ৪ | গেছৰ সংযোগ | গেছৰ সংযোগ নথকাসকলক সংযোগ দিয়া | — |
| ৫ | স্বাস্থ্য কেন্দ্ৰ | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসক, নাৰ্ছ, আশাকৰ্মীৰ নিয়মীয়া উপস্থিতিৰ ব্যৱস্থা | স্বাস্থ্য বিভাগ |

- জীৱিকাৰ অন্বেষণৰ বাবে ই পি এৰ নিধিৰ পৰা দুই লাখ টকা মূলধনী ব্যয় হিচাপে মঞ্জুৰ কৰা।
- সমুদায়ৰ কামৰ বাবে চালি ঘৰ তথা জে এফ এম চিৰ কাৰ্যালয় স্থাপন।
- সমুদায়ৰ উমৈহতীয়া জীৱিকামূলক কাম-কাজৰ বাবে ই পি এৰ নিধিৰ পৰা নিম্ন ব্যয়সাপেক্ষ চালি ঘৰ নিৰ্মাণ।

**জীৱিকাৰ সুযোগ** ঃ তলত জীৱিকাৰ সুযোগসমূহ উল্লেখ কৰা ধৰণে চিহ্নিত কৰা হৈছে—
(ক) কৃষি আৰু উদ্যান শস্য
(খ) পশুপালন (পশু ধন)
(গ) এন টি এফ পি
(ঘ) দক্ষতা বিকাশ
(ঙ) ঋণৰ সুবিধা
উল্লিখিত বিষয়ত অতিৰিক্ত আলোচনা আগবঢ়োৱা হ'ল—

**কৃষি আৰু উদ্যান শস্য** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১২**ত কৃষি আৰু উদ্যান শস্য ক্ষেত্ৰখনত জীৱিকাৰ সুযোগ সম্পৰ্কে বিবেচনা কৰিব পৰা যায়—
**মূল আসোঁৱাহসমূহ—**
(ক) জৈৱিক কৃষিৰ ওপৰত সাধাৰণ জ্ঞান
(খ) জলসিঞ্চনৰ অভাৱ
(গ) কৃষি আন্তঃগাঁথনি, আধুনিক সা-সৰঞ্জাম, পাৱাৰ টিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ
(ঘ) বজাৰ চহিদা অনুপাতে ব্যৱস্থা নোলোৱা
(ঙ) সামগ্ৰী সৰবৰাহৰ বাবে যাতায়াতৰ অভাৱ
(চ) বজাৰৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ অভাৱ, মধ্যভোগীৰ ওপৰত নিৰ্ভৰশীল
**সুযোগসমূহ—**

(ক) অধিক উৎপাদনমুখী বীজৰ ব্যৱহাৰ
(খ) আধুনিক জলসিঞ্চন ব্যৱস্থা আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে কম খৰচত উৎপাদন বৃদ্ধি
(গ) সুচল যাতায়াত ব্যৱস্থাই উৎপাদিত সামগ্ৰী বজাৰলৈ কঢ়িওৱাত সহায় কৰিব
**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ ঃ**
(ক)জৈৱিক কৃষিৰ প্ৰশিক্ষণ
(খ) আধুনিক যন্ত্ৰ-পাতি ক্ৰয়ৰ বাবে ঋণৰ সুবিধা
(গ) শাক-পাচলি উৎপাদনত উদগনি যোগোৱা

**পশুধন** ঃ **তালিকা নং- ১৩**ত পৰিয়ালৰ আৰ্থিক সকাহৰ বাবে পশুধন পালনৰ সুযোগ সম্পৰ্কত সবিশেষ তথ্য সন্নিৱিষ্ট হৈছে।
**মূল আসোঁৱাহসমূহ—**
(ক) যোগানৰ বাবে সংৰক্ষণৰ অভাৱ
(খ) দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে পশুখাদ্য ক্ৰয় কৰাত অসুবিধা
(গ) গছ-গছনি, শস্যৰ অৱশিষ্ট ৩-৬ মাহৰ বাবে উপলব্ধ, সেউজীয়া ঘাঁহ বছৰজুৰি পোৱা নাযায়
(ঘ) পশু স্বাস্থ্য কেন্দ্ৰ নাই
(ঙ) গাখীৰৰ বাবে প্ৰত্যক্ষ বজাৰৰ যোগাযোগ নাই
**সুযোগসমূহ—**
(ক) পশুধনৰ ক্ষিপ্ৰ বিকাশ
(খ) পশুধনৰ পৰা ‘উচ্চ হাৰত আয়’ৰ সম্ভাৱনা
(গ) বেমাৰ নিয়ন্ত্ৰণ
(ঘ) পশুধনৰ জীৱন কাল বৃদ্ধি
(ঙ) জীৱিকাৰ উদ্দেশ্যে পশুধন পালনৰ বাবে উদগনি যোগাব পৰা যায়।
**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**
(ক) গাহৰি পালন
(খ) হাঁহ-কুকুৰা পালন
(গ) মীন পালন
(ঘ) দুগ্ধ উৎপাদন

**এন টি এফ পি** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৪**ত এন ডব্লিউ এফ পিৰ পৰা হ’ব পৰা সুযোগসমূহ উল্লেখ কৰা হৈছে—
**মূল আসোঁৱাহসমূহ—**
(ক) ন্যূনতম এন ডব্লিউ এফ পি।
(খ) কাৰিকৰী জ্ঞানৰ অভাৱ।
(গ) প্ৰসংস্কৰণ উদ্যোগ গোটৰ অভাৱ।
**সুযোগসমূহ—**
(ক) কৃষিকৰ্মত ব্যৱহাৰ নকৰা উৰ্বৰ মাটি উপলব্ধ।
**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**
(ক) খাদ্যশস্য ৰোপণ।
(খ) ঔষধি গছ আদি ৰোপণ।

**বিশেষ দক্ষতাৰ বিকাশ** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৫**ত দক্ষতা বিকাশ, যেনে— হস্ততাঁত, খাদ্য প্ৰস্তুত, পশুপালন, হস্তশিল্প আদিৰ সুযোগসমূহ উল্লেখ কৰা হৈছে।
(ৰ) পশুপালন
(চ) হস্ততাঁত
**মূল অসুবিধাসমূহ—**

(ক) কাষৰীয়া অঞ্চলত কেঁচা সামগ্ৰী উপযুক্ত পৰিমাণে উপলব্ধ নহয়।
(খ) উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰৰ অভাৱ।
(গ) ক্ৰেতা প্ৰতিষ্ঠানৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ অভাৱ।
(ঘ) আধুনিক যন্ত্ৰ-পাতি ব্যৱহাৰৰ অভাৱ।
(ঙ) প্ৰতিষ্ঠানগত প্ৰশিক্ষণৰ অভাৱ।

**সুযোগসমূহ—**

(ক) আধুনিক যন্ত্ৰ-পাতিৰ ব্যৱহাৰ।
(খ) সামগ্ৰীৰ মান আৰু ডিজাইন আদি উন্নীতকৰণ।
(গ) বজাৰ সম্প্ৰসাৰণ।

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**

(ক) আধুনিক যন্ত্ৰ-পাতিৰ ওপৰত প্ৰশিক্ষণ দিয়া
(খ) গাঁওবাসীক আধুনিক প্ৰযুক্তিগত জ্ঞান আৰু সঁজুলি যোগান ধৰা।

**ঋণ সুবিধা** ঃ **ৰেকৰ্ড- ২ৰ তালিকা নং- ১৬**ত এই বিষয়ে বিশদ আলোচনা কৰা হৈছে।

**মূল আসোঁৱাহসমূহ কাৰণৰ সৈতে—**

(ক) বিত্তীয় ব্যৱস্থা/বিত্তীয় প্ৰতিষ্ঠানৰ অভাৱ।
(খ) অসংগঠিত ঋণদাতা জড়িত।

**সুযোগসমূহ—**

(ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।
(খ) পৰ্যাপ্ত সজাগতা বৃদ্ধি কৰা।

**কাৰ্য আঁচনি ৰূপায়ণৰ পৰামৰ্শ—**

(ক) গাঁওখনৰ নিকটৱৰ্তী অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

**কৌশলগত হস্তক্ষেপ** ঃ জীৱিকা বিকাশ পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে ওপৰোক্ত পৰামৰ্শসমূহৰ সাৰাংশ এনে ধৰণৰ—

**(১) কৃষি আৰু উদ্যান শস্য** ঃ অধিক উৎপাদনমুখী বীজৰ ব্যৱহাৰ, জৈৱিক কৃষিৰ প্ৰশিক্ষণ, আধুনিক যন্ত্ৰপাতি ক্ৰয়ৰ বাবে ঋণৰ সুবিধা, কৃষিভিত্তিক দক্ষতা বিকাশৰ বাবে আঁচনি গ্ৰহণ।

**(২) পশুধন** ঃ গাহৰি পালন, হাঁহ-কুকুৰা পালন, মীনপালন, দুগ্ধ উৎপাদন।

**(৩) এন ডব্লিউ এফ পি** ঃ খাদ্য শস্য, ঔষধি গছ (এম এ পি) আদি ৰোপণ।

**(৪) বিশেষ দক্ষতা বিকাশ** ঃ আধুনিক যন্ত্ৰ-পাতি ব্যৱহাৰৰ প্ৰশিক্ষণ, গ্ৰামাঞ্চলৰ জনসাধাৰণক আধুনিক প্ৰযুক্তিৰ জ্ঞান আৰু সঁজুলি যোগান ধৰা, নতুন সামগ্ৰী উৎপাদনৰ প্ৰশিক্ষণ, সামগ্ৰীৰ নতুন ৰূপান্তৰণৰ বাবে দক্ষতা বিকাশ, কেঁচামাল মজুতকৰণ কক্ষ বা বেংক স্থাপন আৰু ক্ৰেতা প্ৰতিষ্ঠানৰ সৈতে বজাৰ সংযোগ স্থাপন।

**(৫) ঋণ সুবিধা** ঃ চৰকাৰৰ সহযোগ আৰু ঋণ ৰেহাইৰ ব্যৱস্থাৰে নিকটৱৰ্তী অঞ্চলত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা।

## ৪ জীৱিকা বিকাশ পৰিকল্পনা

**নিম্ন বিষয়সমূহৰ সহায়ত জীৱিকা বিকাশৰ বিশ্লেষণৰ বাবে আৰ্হি প্ৰস্তুত কৰা হৈছে।**

(ক) জীৱিকাৰ সম্পদ, (খ) জীৱিকাৰ আৰ্হি , (গ) সম্ভাব্য জীৱিকাৰ অগ্ৰাধিকাৰ নামা মোদাতি জে এফ এম চিৰ জীৱিকাৰ স্থিতি বিশ্লেষণ কৰা হয় পি আৰ এ অনুশীলনৰ সহায়ত। এই অনুশীলন ডি এফ ডি আইৰ আৰ্হিৰ আধাৰত চলোৱা হয়। সাম্প্ৰতিক জীৱিকাৰ স্থিতি সম্পৰ্কত নিম্নোক্ত স্থিতিসমূহ পৰ্যালোচনা কৰা হয়।

(১) প্ৰাকৃতিক মূলধন

(২) আন্তঃগাঁথনিগত মূলধন
(৩) সামাজিক মূলধন
(৪) মানৱ মূলধন
(৫) বিত্তীয় মূলধন

## প্ৰাকৃতিক মূলধন

নামা মোদাতি জে এফ এম চিৰ প্ৰধান প্ৰাকৃতিক মূলধন হৈছে এলেকাৰ সমীপৰ সংৰক্ষিত বনাঞ্চল আৰু ইয়াৰ কাষেৰে বৈ যোৱা অকৈ জানটো।

অঞ্চলটোৰ গৰিষ্ঠসংখ্যক লোকেই বনাঞ্চলৰ গছ-গছনি, কাঠ খৰি, সেউজীয়া ঘাঁহ আদিৰ ওপৰত নিৰ্ভৰশীল। কৃষিকৰ্ম আৰু পশুধন পালনৰ বাবে অঞ্চলবাসীয়ে নৈৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে।

(তালিকা নং ১০, ১১ আৰু ৩ত বিশেষ তথ্য দিয়া হৈছে।)

## আন্তঃগাঁথনিগত মূলধন

নামা মোদাতি জে এফ এম চিৰ গৰিষ্ঠসংখ্যক আৱাসী কৃষিকৰ্মৰ সৈতে জড়িত আৰু দুই হেক্টৰতকৈও কম মাটিকালি থকা এই লোকসকল সাধাৰণ খেতিয়ক।

(অনুসূচী-৬ তালিকা- ৩ত আৱাসীৰ দখলীকৃত মাটিৰ তথ্য দিয়া হৈছে।)

গাঁওখনৰ লোকসকলে বিভিন্ন উৎস, যেনে— জৈৱিক, কেৰাচিন, বিদ্যুৎ, ৰন্ধন গেছ আৰু মম আদিৰ পৰা ইন্ধন শক্তি সংগ্ৰহ কৰে। গাঁওবাসী খৰি আৰু কেৰাচিনৰ ওপৰত বেছি নিৰ্ভৰশীল।

(তালিকা নং ১০, ১১ আৰু ৬ত বিশেষ তথ্য দিয়া হৈছে।)

জে এফ এম চি এলেকাটোত মাত্ৰ এখন প্ৰাথমিক বিদ্যালয় আছে। মাধ্যমিক বিদ্যালয় জে এফ এম চিৰ সীমাৰ নিচেই ওচৰতে আছে। কিন্তু উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় কিছু দূৰৈত আছে। (তালিকা নং ৫, আৰু ৬ত বিশেষ তথ্য দিয়া হৈছে।)

গাঁওখনত এটা জন আছে। যিটোৰ পানী কৃষি, পশুপালন, ঘৰুৱা অন্যান্য কামত গাঁওবাসীয়ে ব্যৱহাৰ কৰে। আনহাতে খোৱাপানীৰ ক্ষেত্ৰত লোকসকলে প্ৰধানকৈ ৰাজহুৱা কুঁৱা, ব্যক্তিগত কুঁৱা বা দনকল ব্যৱহাৰ কৰে।

## সামাজিক মূলধন

গাঁওবাসীয়ে অজ্ঞতাৰ বাবেই জে এফ এম চিৰ সৈতে সম্পূৰ্ণৰূপে জড়িত নহয়। তেওঁলোকে নাজানে তেওঁলোকৰ ভূমিকা তথা ইয়াৰ পৰা হ'ব পৰা লাভালাভৰ বিষয়ে। জে এফ এম চি এলেকাৰ ভিতৰত এটা যুৱক সংঘ আৰু এটা ৰাজহুৱা প্ৰেক্ষাগৃহ আছে।

## মানৱ মূলধন

জে এফ এম চি এলেকাটো মুঠ জনসংখ্যাৰ ভিতৰত ৯০ শতাংশ লোক শিক্ষিত (তালিকা-iiত তথ্য সন্নিৱিষ্ট)।

## বিত্তীয় মূলধন

জে এফ এম চি এলেকাটোত কোনো ধৰণৰ চৰকাৰী বেংক-বিত্তীয় প্ৰতিষ্ঠান নাই। অৱশ্যে গাঁওবাসীয়ে অনানুষ্ঠানিক গোটৰ পৰা ঋণ আদি সংগ্ৰহ কৰে।

অঞ্চলটোৰ সকলো লোকৰে বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও তেওঁলোকে বিত্তীয় সা-সুবিধাৰ বিষয়ে অৱগত নহয়।

## জীৱিকাৰ ধৰণ

জে এফ এম চি এলেকাৰ জীৱিকা সম্পৰ্কীয় কাম-কাজক নিম্নোক্ত চৰ্তসমূহৰ ভিত্তিত চিনাক্ত কৰা হৈছে।

(ক) জে এফ এম চি এলেকাৰ মুঠ আয়ৰ ভিতৰত জীৱিকাৰ অৱদান

(খ) বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত

(গ) সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ

(অনুসূচী- ৩ত তথ্য সন্নিৱিষ্ট)

**আয় বৃদ্ধিৰ কাৰ্যব্যৱস্থা** ঃ গাঁওখনৰ আয় বৃদ্ধিৰ মূল পৰিকল্পনাসমূহ—

**কৃষি খণ্ডত**

(ক) ধান খেতি, উদ্যান শস্য।

(খ) স্থানীয় সুৰা বিক্ৰী।

(গ) শ্ৰম মজুৰি।

(ঘ) পশুপালন (গাহৰি, হাঁহ-কুকুৰা, দুগ্ধ উৎপাদন।

(ঙ) চাকৰি (চৰকাৰী, ব্যক্তিগত খণ্ড)।

**বিশেষ জীৱিকাৰে আয় বৃদ্ধিত অৰিহণা** ঃ আৱাসীয় লোকৰ ওপৰত চলোৱা সমীক্ষা আৰু পি আৰ এ অনুশীলনৰ পৰা স্পষ্ট হৈছে যে সকলো আৱাসীয়ে ওপৰত উল্লেখিত কৰ্ম পদ্ধতিৰে আয় বৃদ্ধিত অৰিহণা যোগাইছে।

প্ৰথমিক জীৱিকা ঃ কৃষি, স্থানীয় সুৰা বিক্ৰী

বিকল্প জীৱিকা ঃ দৈনিক মজুৰি, পশুপালন আদিৰ উপৰি চাকৰীজীৱী লোকো অঞ্চলটোত আছে।

**সম্ভাব্য জীৱিকাৰ প্ৰাথমিকতা** ঃ জীৱিকা আৰু দক্ষতা বিকাশৰ শ্ৰেণীবদ্ধকৰণ—

(১) পশুপালন, (২) হস্ততাঁত, (৩) উদ্যান শস্য, (৪) বাঁহ-বেত, (৫) মৎস্য চিকাৰ, (৬) ইলেক্ট্ৰিচিয়ান

**এছ এইচ জিৰ কৰ্মৰাজি** ঃ অঞ্চলটোত ১২টা আত্মসহায়ক গোটে কাম-কাজ চলাই আছে। নিম্নোক্ত কাৰ্যব্যৱস্থাসমূহ এছ এইচ জিয়ে গাঁওখনত পালন কৰিব পাৰে—

(ক) সজাগতা বৃদ্ধি।

(খ) গোট গঠন।

(গ) জীৱিকাৰ কৰ্মত গাঁওবাসীক উমৈহতীয়াভাৱে জড়িত কৰোৱা।

**নিৰ্ধাৰিত কাৰ্যব্যৱস্থাৰ সাৰাংশ** ঃ পৰৱৰ্তী পৃষ্ঠাত সন্নিৱিষ্ট কৰা হৈছে।

**সু-সংহতকৰণ** ঃ পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা বিষয়বোৰ ভাৰত চৰকাৰৰ আঁচনিসমূহত সু-সংহতভাৱে একাকীকৰণ কৰিব পৰা যায়।

(ক) গ্ৰাম্য নিয়োগৰ বাবে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি।

(খ) কৃষি আৰু ইয়াৰ সহযোগী ক্ষেত্ৰৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা।

(গ) জলাশয় বিকাশ, জলসিঞ্চনৰ বাবে ৰাষ্ট্ৰীয় কৃষি সিঞ্চন যোজনা।

(ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান।

(ঙ) দক্ষতা বিকাশ আঁচনি।

(চ) বিভিন্ন বিভাগ যেনে— শিক্ষা, ৰেচম পাম, পশুপালন, জলসিঞ্চন, উদ্যোগ আৰু মীন পালন বিভাগৰ পৰা সহায় ল'ব পৰা যায়।

(ছ) অন্যান্য আঁচনিৰ পৰা উপযুক্ত বিবেচিত হোৱা জীৱিকা বা গ্ৰামোন্নয়নৰ অন্যান্য আঁচনিকো সামৰি লোৱা। বৰ্তমান পৰিকল্পনাত ওপৰোক্ত সু-সংহত আঁচনিয়ে

দীৰ্ঘম্যাদী ফলাফল প্ৰদান কৰিব।

## ৫ নামা মোদাতি জে এফ এম চি বনাঞ্চল বিকাশ আঁচনি

নামা মোদাতি জে এফ এম চিৰ অধীনত গ্ৰহণ কৰা ক্ষুদ্ৰ পৰিকল্পনা অনুসৰি বনাঞ্চল উন্নয়ন আঁচনিখন অঞ্চলটোৰ গাঁও পৰ্যায়ত চলোৱা পি আৰ এ অনুশীলনৰ অধীনত প্ৰস্তুত কৰা হয়। ইয়াৰ লক্ষ্য হৈছে জৈৱ-বৈচিত্ৰ্য আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ ভাৰসাম্যতাৰে বনাঞ্চল এলেকাটোত আৱাসীসকলৰ জীৱিকাৰ আৱশ্যকতাৰ ওপৰত প্ৰাধান্য দিয়া হৈছে।

**১. জে এফ এম চিৰ বনাঞ্চলৰ স্থিতি—** এই ক্ষুদ্ৰ পৰিকল্পনাই নামা মোদাতি জে এফ এম চিৰ অধীনত জে এফ এম বনাঞ্চলৰ নিম্নলিখিতসমূহ বিবেচনা কৰে।

(ক) বন বিভাগে জে এফ এম চিসমূহক দায়িত্ব অৰ্পণ কৰা বনাঞ্চল এলেকাসমূহ।

(খ) ঘোষিত এলেকাৰ বাহিৰৰ মাটি অথবা জনসমুদায়টোৰ নিজাববীয়া মাটিত বৃক্ষৰোপণ কৰা এলেকা বা কৰিবলগীয়া এলেকাসমূহ। জে এফ এম চিৰ বনাঞ্চলসমূহৰ উল্লিখিত শ্ৰেণী দুটাৰ স্থিতিৰ ওপৰত তলত আলোচনা কৰা হ'ল—

**১.১ বনাঞ্চল আৰু ইয়াৰ বৰ্তমান অৱস্থা ঃ** বনাঞ্চল উন্নয়ন আঁচনি শীৰ্ষক জে এফ এম চিৰ দায়িত্ব অৰ্পণ কৰা বনাঞ্চল এলেকাৰ স্থিতিৰ বৰ্ণনা দিয়া হৈছে। অন্যান্য এলেকাত বৃক্ষৰোপণ কৰা ক্ষেত্ৰ আৰু বৃক্ষৰোপণ কৰিবলগীয়া ক্ষেত্ৰসমূহৰ স্থিতি মূল্যায়ন কৰাৰ পাছত নামা মোদাতি জে এফ এম চিৰ বনাঞ্চলৰ সবিশেষ সাৰাংশ উল্লেখ কৰা হ'ল—

**তালিকা নং-১** নামা মোদাতি জে এফ এম চিৰ বনাঞ্চলৰ স্থিতি—

| চিহ্নিত এলেকা | জেএফএমচি বনাঞ্চল এলেকা (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃমিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-৪০%তকৈ অধিক ঘন বনাঞ্চলৰ বাদে হতাশাজনক) | কিমান সঘনাই ব্যৱহাৰ হয় (২-৩ মিঃ, ৩-৬ মিঃ, ৬-৯ মিঃ, ৯ মিঃতকৈ অধিক) |
|---|---|---|---|---|
| (ক) দায়িত্ব অৰ্পণ কৰা | | | | |
| ৰূপসী ৰেঞ্জ, পৰ্বতঝোৰা বন সংমণ্ডল | ১৫০ হেক্টৰ | ৭ কিঃ মিঃ | ভাল এলেকা ঃ ৭০ হেক্টৰ হতাশাজন এলেকা ঃ ৫০ হেক্টৰ | ২-৩ মিঃ |
| (খ) অন্যান্য বৃক্ষৰোপণ হোৱা ঠাই বা এলেকা | | | | |
| মুঠ | ১৫০ হেক্টৰ | | ভাল এলেকা ঃ ৭০ হেক্টৰ হতাশাজন এলেকা ঃ ৫০ হেক্টৰ | |

**১.২ ঃ বনাঞ্চলৰ মাটিৰ ধৰণ ঃ**

**তালিকা নং- ২ ঃ** নামা মোদাতি জে এফ এম চিৰ বনাঞ্চলীয় মাটিৰ বিৱৰণ—

| গুণাগুণৰ জোখমাপ | দায়িত্ব অৰ্পণ কৰা বনাঞ্চলৰ স্থিতি | বৃক্ষৰোপণ কৰা অন্যান্য মাটিৰ স্থিতি |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | কমসংখ্যক | নাই |
| খহনীয়াৰ স্থিতি | কম | নাই |
| উপস্থিতি ঃ | | |
| গেদ | নাই | নাই |

| | | |
|---|---|---|
| বোকা-পলশ | নাই | নাই |
| নতুন সংযোজিত মাটি | নাই | নাই |
| বালিময় টিলা | নাই | নাই |

নামা মোদাতি জে এফ এম চিৰ বাবে বনাঞ্চলটোৰ মাটিৰ ধৰণসমূহত মূল লক্ষণবোৰৰ সাৰাংশ—

(ক) পলসুৰা মাটি, (খ) সাধাৰণভাৱে উৰ্বৰ।

**১.৩ ঃ উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ—**

নামা মোদাতি জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত তলত উল্লেখ কৰা উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ বিদ্যমান। উল্লেখ্য যে স্থানীয় অৰণ্য এলেকা চিৰসেউজ বৰ্ষাসিক্ত বনাঞ্চলত শ্ৰেণীবদ্ধ কৰা হৈছে।

**তালিকা নং- ৩ ঃ নামা মোদাতি জে এফ এম চিৰ উদ্ভিদ শ্ৰেণীৰ সাম্প্ৰতিক সংমিশ্ৰণ**

| গুণাগুণৰ জোখমাপ | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| প্ৰধান অৰণ্য প্ৰজাতি | গামাৰী | গোমেলিনা আৰবৰে |
| | অৰ্জুন | টাৰমিনালিয়া অৰ্জুন |
| | একাচিয়া | ৰাকোচপেৰমা |
| | শাল | শ্বৰেয়া ৰোবুষ্টা |
| | টীক | টেক্টনা গ্ৰেণ্ডিছ লিন |
| | ডিজেল | কপাইফেৰা লংছডৰফি |
| অন্য প্ৰজাতি | বহেৰা | টাৰ্মিনালিয়া বেল্লিৰিকা |
| | শিচু | কাছিয়া ফিষ্টুলা |
| ঔষধি গছ | ঘোৰা নিম | মেলিয়া এজেডাৰাচ |
| | আমলখি | ফিল্লান্থাছ ইম্লিকা |

**২. বনাঞ্চল উন্নয়ন আঁচনিৰ বাবে আন বিষয়সমূহ—**

নামা মোদাতি জে এফ এম চিৰ অধীনত বনাঞ্চল উন্নয়ন আঁচনিৰ বাবে নিম্নোক্ত বিষয়সমূহ অন্তৰ্ভুক্তিৰ বাবে আলোচনা কৰা হয়—

**২.১ জে এফ এম চিয়ে বন সংৰক্ষণৰ বাবে পূৰ্বে লোৱা ব্যৱস্থাসমূহ—**

নামা মোদাতি জে এফ এম চিয়ে বন সংৰক্ষণৰ বাবে মুঠতে লোৱা ব্যৱস্থাসমূহৰ সম্পৰ্কত তলত উল্লেখ কৰা বিষয়ত আলোচনা কৰা হয়—

**(ক) পৰিয়াল জড়িত** ঃ ৫২

**(খ) ব্যক্তি জড়িত** ঃ ৫২ (প্ৰতি পৰিয়ালৰ এজনকৈ)

**(গ) ব্যৱস্থাৱলীৰ সাৰাংশ** ঃ শাল ৰোপণ এলেকাত বছৰি টহল কাৰ্যসূচী, সাংস্কৃতিক অভিযান।

**(ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থাপনা** ঃ উপস্থিতি নাই

**২.২ ঃ বনজ উৎপাদনৰ পৰা ঘৰুৱা প্ৰয়োজনীয়তা**

তলৰ তালিকাত বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ প্ৰয়োজনীয়তা সম্পৰ্কে তথ্য দাঙি ধৰা হ'ল।

**তালিকা নং- ৪ (ক) ঃ নামা মোদাতি জে এফ এম চিৰ অধীনস্থ এলেকাৰ প্ৰতি পৰিয়ালৰ বাবে বনজ উৎপাদনৰ ঘৰুৱা প্ৰয়োজনীয়তা—**

| বনজ উৎপাদনৰ নাম | প্ৰতি ঘৰৰ বাবে প্ৰয়োজনীয়তা | | বৰ্তমান কেনেদৰে সংগ্ৰহ | উৎসসমূহ |
|---|---|---|---|---|
| | কিমান সঘনে আৱশ্যক | আনুমানিক পৰিমাণ | | |
| কাঠ খৰি | এসপ্তাহত | ৬০-৭৫ কেজি | ——— | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | এসপ্তাহত | ১ কুইণ্টল | ——— | বনাঞ্চল, বজাৰ |

**তালিকা নং- ৪ (খ) ঃ বনজ সম্পদৰ সৰ্বমুঠ ঘৰুৱা প্ৰয়োজনীয়তা নামা মোদাতি জে এফ এম চিৰ সকলো আৱাসী পৰিয়ালৰ বাবে—**

| বনজ উৎপাদনৰ নাম | সমুদায়টোৰ বাবে আৰশ্যক (কিঃগ্ৰাঃ/একক প্ৰতি বৰ্ষ) (*) | মন্তব্য |
|---|---|---|
| কাঠ খৰি | ১৯৮৬৮৮ | বছৰজুৰি |
| ঘৰৰ কাৰণে কাঠ | ৪০০০ | ডিচেম্বৰ- জানুৱাৰী |
| গৃহ নিৰ্মাণৰ বাবে — সৰু গছৰ কাঠ | নাই | |
| খুঁটা-বাঁহ | নাই | |
| বনাঞ্চলৰ পৰা পশু খাদ্য | নাই | |
| এন টি এফ পি | নাই | |
| অন্যান্য | নাই — | |

(*) = তালিকা নং ৪ (ক)ৰ পৰা আনুমানিক গড় হিচাপত প্ৰতি গৃহত প্ৰয়োজনীয়তা × — আৱাস।

ঃ **২.৩ ঃ সংগ্ৰহ আৰু গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদনৰ বজাৰ ঃ** ঘৰৰ ব্যৱহাৰৰ উপৰি গাঁওবাসীয়ে বনজ উৎপাদনৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰতো বিক্ৰী কৰে। কিন্তু গাঁওখনত বনজ উৎপাদিত সামগ্ৰী বহু কম। জে এফ এম চিৰ অন্তৰ্গত গাঁওবাসীয়ে তলত দিয়া তালিকা অনুসৰি বনজ উৎপাদনৰ সংগৃহীত সামগ্ৰী বজাৰলৈ নিয়ে।

**তালিকা নং- ৫ (ক) ঃ নামা মোদাতি জে এফ এম চিৰ গাঁওবাসীয়ে কৰা বনজ সম্পদৰ সংগৃহীত সামগ্ৰীৰ বাণিজ্যিকীকৰণ।**

| বনজ উৎপাদিত সামগ্ৰীৰ নাম | বজাৰৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু/মাহ | সংগ্ৰহ কৰা ঘৰৰ সংখ্যা | গড় অনুপাত সংগ্ৰহ (কেজি) | |
| কাঠ খৰি | ডিচেঃ-জানুঃ | ৪৫ | ২০০ কেজি/মাহ | বনাঞ্চল |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| অন্যান্য সামগ্ৰী নিৰ্মাণৰ বাবে সৰু কাঠ | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| বাঁহ | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| খুঁটা | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| বনাঞ্চলৰ পৰা পশু খাদ্য | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| এম টি এফ পি | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| অন্যান্য | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |

**তালিকা নং- ৫ (খ) ঃ বনজ উৎপাদন সামগ্ৰীৰ সংগ্ৰহ আৰু বজাৰৰ অতিৰিক্ত তথ্য (নামা মোদাতি জেএফএমচি)**

| **বনজ উৎপাদিত সামগ্ৰী** | **অতিৰিক্ত বিক্ৰী** | **কেনেদৰে বিক্ৰী** | **গড় আয় প্ৰতি গৃহ, বনজ উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ পৰা** |
|---|---|---|---|
| কাঠ খৰি | ৫০ | গাঁওখনৰ পৰা সংগ্ৰহ কৰিবলৈ মধ্যভোগী আহে | ১০০০/মাহ |
| গৃহ নিৰ্মাণৰ বাবে কাঠ | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| অন্য সামগ্ৰী নিৰ্মাণৰ বাবে সৰু কাঠ | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| বাঁহ | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| খুঁটা | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| বনাঞ্চলৰ পৰা পশু খাদ্য | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| এন টি এফ পি | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |
| অন্যান্য | উপলব্ধ নহয় | উপলব্ধ নহয় | উপলব্ধ নহয় |

## ৩. বন সংৰক্ষণ/সুৰক্ষা বিষয়সমূহ

### ৩.১ সংৰক্ষণৰ সমস্যাৱলী

**তালিকা নং ৭ ঃ নামা মোদাতি জে এফ এম চিৰ বনাঞ্চলৰ সংৰক্ষণ সমস্যা—**

| **সমস্যাৰ ধৰণ** | **আনুষংগিক সমস্যা আছে/নাই** | **লেখত ল'বলগীয়া হয়/নহয়** |
|---|---|---|
| ঘাঁহনি পথাৰ- স্থানীয় পশুৰ | আছে | আছে |
| ঘাঁহনি পথাৰ- অন্য এলেকাৰ বাবে | আছে | আছে |
| অবৈধভাৱে গছ কটা | আছে | আছে |
| কাঠৰ চোৰাং ব্যৱসায় | আছে | আছে |
| বনজুই | আছে | আছে |
| বনভূমি বেদখল | আছে | আছে |
| বন সংৰক্ষণৰ সময়ত সাপে কামোৰ আদি দুৰ্ঘটনা | আছে | আছে |
| ঔষধি গছ চুৰি | আছে | আছে |

এতেকে উল্লিখিত জে এফ এম চিয়ে সন্মুখীন হোৱা বন সংৰক্ষণ বিষয়ক লেখত ল'বলগীয়া সমস্যাৰ কথাকেইটা হ'ল—

(ক) স্থানীয় পশু ধনৰ চৰণীয়া ঘাঁহনি পথাৰ।

(খ) আন এলেকাৰ পশুধনৰ চৰণীয়া ঘাঁহনি পথাৰ।

**৩.২ বনাঞ্চল হ্ৰাসৰ কাৰণ—**

নামা মোদাতি জে এম এম চি এলেকাৰ বনাঞ্চল হ্ৰাস হোৱাৰ কাৰণ—

(ক) জনগোষ্ঠীয় লোকৰ পৰম্পৰাগত কৃষি পদ্ধতি।

(খ) ৰন্ধন কাৰ্য আদিৰ বাবে বনাঞ্চলৰ খৰিৰ ওপৰত নিৰ্ভৰশীল।

**৪. বনাঞ্চল উন্নয়ন আঁচনিৰ বিষয়বস্তু ঃ**

নামা মোদাতি জে এফ এম চিৰ বন উন্নয়ন আঁচনিৰ মূল বিষয়বস্তু সম্পৰ্কত তলৰ গাঁওসমূহে আলোচনা কৰিছে। যেনে— সংৰক্ষণৰ পৰিকল্পনা, বনাঞ্চলৰ বিকাশ (যাৱতীয় ব্যৱস্থা), গছপুলিৰ বিকাশ (নাৰ্ছাৰী), সামগ্ৰিক ব্যৱস্থাপনা আৰু অন্যান্য

কাৰ্য ব্যৱস্থাপনা।

**৪.১ সংৰক্ষণ পৰিকল্পনা ঃ**

তলত উল্লেখ কৰা সংৰক্ষণ পৰিকল্পনাত নামা মোদাতি জে এফ এম চিৰ বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থাপনাৱলী সম্পৰ্কত আলোচনা কৰা হৈছে, যিবোৰ ইতিমধ্যে উপখণ্ড ৩.১ত আলোচিত হৈছে—

**তালিকা নং- ৮, নামা মোদতি জে এফ এম চিৰ বনাঞ্চল সংৰক্ষণ পৰিকল্পনা—**

| **সংৰক্ষণৰ কাম ঃ** প্ৰ-পত্ৰ-৩ত ধাৰ্য কৰামৰ্মে তালিকা নং ৩.৭ৰ পৰা গ্ৰহণযোগ্য হিচাপত পূৰ কৰিব লাগিব | **বনাঞ্চল এলেকাৰ স্থান** | **ব্যৱস্থাপনাৱলীৰ নিৰ্দিষ্ট অৰ্হতা** (দীঘ, এলেকা, পৰিসৰ ইত্যাদি) | **সময়** | **অগ্ৰাধিকাৰ সৰ্বোচ্চ/মধ্যম/ নিম্ন** |
|---|---|---|---|---|
| সামাজিক সংৰক্ষণ বেহু | সীমা | বৃক্ষৰোপণ এলেকাৰ সীমা নিৰ্ধাৰণ সাপেক্ষে | বছৰজুৰি | সৰ্বোচ্চ |
| বনজুইৰ পৰা সুৰক্ষা | বনাঞ্চল এলেকাধীন | — | বছৰজুৰি | সৰ্বোচ্চ |

এতেকে দেখা গৈছে যে তলত উল্লেখ কৰা ধৰণে নামা মোদাতি জে এম এফ চিত (সৰ্বোচ্চ বা মাধ্যম পৰ্যায়ৰ অগ্ৰাধিকাৰৰ ভিত্তিত) সংৰক্ষণ পৰিকল্পনাৰ কাৰ্যকৰী ব্যৱস্থা লোৱা উচিত—

(ক) সামাজিক সংৰক্ষণ বেহু।

(খ) বনজুইৰ পৰা সুৰক্ষা।

(গ) টহল।

**৪.২ প্ৰস্তাৱিত কাৰ্যব্যৱস্থাৰ ধৰণ ঃ**

নামা মোদাতি জে এফ এম চিৰ ক্ষয়িষ্ণু বনাঞ্চলৰ পুনৰুদ্ধাৰৰ বাবে ল'বলগীয়া সংৰক্ষণমূলক প্ৰস্তাৱিত ব্যৱস্থাসমূহ—

**তালিকা নং ৯ ঃ নামা মোদাতি জে এফ এম চিত ল'বলগীয়া প্ৰস্তাৱিত কাৰ্যব্যৱস্থা**

| **পৰিচৰ্যা/প্ৰতিপালন** | **প্ৰয়োজন আছে/নাই** | **জেএফএমচিৰ দায়িত্ব (আছে/নাই)** | **মাহ/বছৰ কেতিয়া কৰিব** | **প্ৰতিপালন কৰিবলগীয়া প্ৰস্তাৱিত এলেকা (হেক্টৰত)** |
|---|---|---|---|---|
| ক্ষয়িষ্ণু বনাঞ্চলৰ পুনৰুদ্ধাৰ | আছে | আছে | এপ্ৰিল-আগষ্ট | |
| কটা গছৰ মূঢ়াৰ সংৰক্ষণ | | | | |
| জলাশয়ৰ পৰিচৰ্যা | আছে | আছে | | নাই |
| জলাশয়ৰ সংৰক্ষণ | | | | |
| ঘাঁহ আৰু পশু খাদ্যৰ বাবে খেতি | | | | |
| বাঁহ গছ ৰোপণ | আছে | আছে | মাৰ্চ-এপ্ৰিল | |
| বীজ সিঁচা | আছে | আছে | জুন-জুলাই | নাই |
| নিকোৰা/চপোৰা/ৰোপণ<br>ঘন জোপোহাকৈ আগুৰি ধৰা | আছে | আছে | জুন-জুলাই,<br>অক্টোবৰ-নৱেম্বৰ | নাই |
| গছৰ ঠাল-ঠেঙুলি নিকোৰা | | | | |
| প্ৰতিৰোধী বেৰ নিৰ্মাণ | আছে | নাই | ছেপ্টেম্বৰ-নৱেম্বৰ | নাই |
| সামাজিক প্ৰতিৰোধ | আছে | আছে | বছৰজুৰি | ৫০ হেক্টৰ |
| অন্যান্য | | | | |

এতেকে দেখা গ'ল যে নামা মোদাতি জে এফ এম চিৰ বনাঞ্চল এলেকাত তলত উল্লেখ কৰা পৰিচৰ্যামূলক কাৰ্যব্যৱস্থাৰ প্ৰয়োজন আছে।—

(ক) বীজ সিঁচা।

(খ) বৃক্ষৰোপণ, নিকোৰা।

(গ) প্ৰতিৰোধী বেৰ নিৰ্মাণ।

(ঘ) সামাজিক প্ৰতিৰোধ বেহু।

**৪.৩ নামা মোদাতি বনাঞ্চল বিকাশ পৰিকল্পনা ঃ আগতীয়া কাম আৰু প্ৰস্তুতি ঃ**

